# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❑ যোৰহাট সংস্কৰণ ❑ মুঠ পৃষ্ঠা ১২

০৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ২৫৭ মঙলবাৰ ১৫ শাওণ ১৯৪৫ শক ১ আগষ্ট ২০২৩ চন ASOMIYA KHABAR JORHAT TUESDAY 1 AU


## ডিব্ৰুগড়ত অসম ভিত্তিত আধুনিক গীতৰ প্ৰাইজমানি প্ৰতিযোগিতা সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩১ জুলাই ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভা আৰু সামাজিক-সাংস্কৃতিক অনুষ্ঠান মঞ্চৰূপাৰ উদ্যোগত অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিত প্ৰাইজমানি আধুনিক গীতৰ প্ৰতিযোগিতা সম্পন্ন হয়। আৰ্কষণীয় প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰা চাবুৱাৰ কাবেৰী ফুকনলৈ নগদ সাত হেজাৰ টকা, ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হয়। দ্বিতীয় পুৰস্কাৰ লাভ কৰা তিনিচুকীয়া বৰডুবিৰ প্ৰীতম দত্তলৈ পাঁচ হেজাৰ টকাসহ ট্ৰফী, মানপত্ৰ আৰু শিৱসাগৰৰ তৃতীয় পুৰস্কাৰ লাভ কৰা দীক্ষিতা বৰালৈ তিনি হেজাৰ টকাসহ ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হয়। প্ৰায় অৰ্ধ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত অন্যান্য দহটা পুৰস্কাৰ প্ৰদান কৰা হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰায় অৰ্ধ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত বিচাৰক হিচাপে জনপ্ৰিয় কণ্ঠশিল্পী মমতা বৰঠাকুৰ, ব্ৰজেন পাঠক আৰু পাপৰি দাস উপস্থিত থাকে। মঞ্চৰূপাৰ সাংস্কৃতিক সম্পাদক হাচান ইকবাল আহমেদে আঁতধৰা বঁটা বিতৰণী অনুষ্ঠানত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, সাহিত্যিক ড° শশীকান্ত শইকীয়া, উপ-সভাপতি বিভাস দুৱৰা, সম্পাদক ৰাতুল গোহাঁই, সহকাৰী সম্পাদক যাদৱ গগৈ, মঞ্চৰূপাৰ সভাপতি চন্দন পাঠক, সম্পাদিকা লাকী চাংকাকতি, কাৰ্যকৰী সভাপতি বলীন বৰদলৈ, ৰঞ্জি[illegible]লৈ আদি উপস্থিত থাকি পুৰস্কাৰসমূহ বিতৰণ কৰে। আনহাতে, ২৪ জুলাইৰ পৰা ২৭ জুলাইলৈকে সাহিত্য সভা ভৱনত অনুষ্ঠিত হোৱা প্ৰসিদ্ধ গীতিকাৰ তথা সংগীতজ্ঞ প্ৰশান্ত বৰদলৈৰ গীতৰ কৰ্মশালাত অংশগ্ৰহণ কৰাসকলকো মানপত্ৰ প্ৰদান কৰা হয়। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভা আৰু সাংস্কৃতিক-সামাজিক অনুষ্ঠান মঞ্চৰূপাৰ উদ্যোগত অনুষ্ঠিত হোৱা কৰ্মশালাত অসমৰ প্ৰখ্যাত সংগীত পৰিচালক, গীতিকাৰ, সুৰকাৰ তথা ডিবৰুৰ গৌৰৱ প্ৰশান্ত বৰদলৈ উপস্থিত থাকি তেওঁৰ কালজয়ী গীতৰ কৰ্মশালা দিয়ে। কৰ্মশালাত শিল্পীগৰাকীৰ বহু জনপ্ৰিয় আৰু কালজয়ী গীতৰ প্ৰশিক্ষণ প্ৰদান কৰে প্ৰশান্ত বৰদলৈয়ে। জিলাখনৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা প্ৰায় পঞ্চাশ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাৰ সামৰণী অনুষ্ঠানত জিলাখনৰ বহুকেইগৰাকী স্বনামধন্য গীতিকাৰ, শিল্পী উপস্থিত থাকে। তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা প্ৰশিক্ষণত প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰি এক সুৰৰ মায়াজালৰ সৃষ্টি কৰাৰ লগতে নতুন প্ৰজন্মক অসমৰ সুৱদী সুৰীয়া গীত-মাতসমূহ চৰ্চা কৰাত আগবাঢ়ি আহিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।